

মুনীন বৰকটকীৰ



জন্ম : ১৯১৫ মৃত্যু : ১৯৯৩

মুনীন বৰকটকীৰ

# সৃষ্টি ত্ৰিবিধা

সম্পাদনা

যোগেন্দ্ৰনাৰায়ণ ভূঞা

ষ্টুডেণ্টচ্ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী- ৭৮১০০১



প্রতিষ্ঠাতা : নৱেন্দ্ৰ চন্দ্ৰ দত্ত, স্থাপিত : ১৯৪৫

প্ৰকাশক :
শ্ৰীঅজয় কুমাৰ দত্ত
ষ্টুডেণ্টচ্ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী- ৭৮১০০১

পৰিবেশক :
ভাৰতী বুক ষ্টল
গোলাঘাট- ৭৮৫৬২১

© মুনীন বৰকটকী স্মাৰক ন্যাস

প্ৰচ্ছদ
কৃষ্ণেন্দু চাকী

প্ৰথম প্ৰকাশ :
ডিচেম্বৰ, ১৯৯৬

ISBN 81-86494-37-5

মূল্য : ৩৫.০০ টকা

*Printed by :*
GIRI PRINT SERVICE
91A, Baithakkhana Ro
Calcutta - 700 009

# মুখবন্ধ

যিকেইজন প্ৰতিভাশালী গল্প-লেখকে এই শতিকাৰ ত্ৰিশৰ দশকত 'আৱাহন'ৰ পাতত আত্মপ্ৰকাশ কৰি অসমীয়া গল্প-সাহিত্যত এটা নতুন যুগৰ সূচনা কৰিছিল, তেওঁলোকৰ ভিতৰত স্বকীয় বৈশিষ্ট্যৰে সমুজ্জ্বল এজন লেখক আছিল মুনীন বৰকটকী। তেওঁৰ মাজত এনে প্ৰতিভা আছিল যে কেৱল গল্প-ৰচনাৰ কামতে একাণপতীয়াকৈ লাগি থকা হ'লে তেওঁ অসমীয়া ভাষাৰ শ্ৰেষ্ঠ গল্পকাৰসকলৰ এজন বুলি পৰিগণিত হ'ব পাৰিলেহেঁতেন। কিন্তু লেখাতকৈ পঢ়াৰ প্ৰতি তেওঁৰ অনুৰাগ আছিল বেছি গভীৰ। বিচিত্ৰ আৰু বিশাল অধ্যয়নৰ যোগেদি তেওঁ এখন নতুন ভাব-জগত আৱিষ্কাৰ কৰিছিল, আৰু সেই আৱিষ্কাৰৰ মাদকতাময় কাহিনী আনকো কৈ শুনোৱাবলৈ তেওঁ ব্যগ্ৰ হৈ পৰিছিল। তাৰ কাৰণে উপযুক্ত মাধ্যম বিচাৰি তেওঁ 'কনফেশ্যনছ' নাম দি এখন পৰীক্ষামূলক মনন-ধৰ্মী ব্যক্তিগত ৰচনা লিখিছিল— যিখন ৰচনা আছিল অসমীয়া ভাষাত এইধৰণৰ প্ৰথম ৰচনা। 'আৱাহন'ত এই ৰচনাখন প্ৰকাশ হোৱাৰ লগে লগে লেখক হিচাপে মুনীন বৰকটকীৰ স্বকীয় বৈশিষ্ট্য চিৰকালৰ কাৰণে চিহ্নিত হৈ গৈছিল।

মাত্ৰ এঘাৰটামান গল্প লিখিয়েই মুনীন বৰকটকীয়ে পিছলৈ গল্প লিখিবলৈ একেবাৰে এৰি দিলে। তাৰ কাৰণটোও বুজিবলৈ টান নহয়। কিতাপ-সৰ্বস্ব আৰু অন্তৰ্মুখী ভাবুকৰ জীৱন কটোৱাৰ ফলত বাস্তৱ জীৱনৰ লগত তেওঁৰ ক্ষীণ সম্পৰ্ক ক্ৰমান্বয়ে অধিক ক্ষীণ হৈ আহিছিল; এনে অৱস্থাত গল্প-সৃষ্টিৰ কাৰণে প্ৰয়োজনীয় কেঁচামাল সংগ্ৰহ কৰাৰ কামটো তেওঁৰ পক্ষে ক্ৰমাৎ কঠিন হৈ আহিছিল। তেওঁৰ সাৰ্থক গল্পকেইটাৰ বিষয়-বস্তু মাত্ৰ এটা বুলি ক'ব পাৰি : নাৰীৰ প্ৰতি আকৰ্ষণে এজন পুৰুষৰ মনত সৃষ্টি কৰা নানাধৰণৰ প্ৰতিক্ৰিয়া আৰু অন্তৰ্দ্বন্দ্ব। নাৰী-পুৰুষৰ সম্পৰ্কৰ একাধিক সম্ভাৱনা আৰু সেইবোৰৰ প্ৰতি পুৰুষ-হৃদয়ৰ প্ৰতিক্ৰিয়া তেওঁ কে'বাটাও গল্পত পৰীক্ষা কৰি চাইছে। এইখিনিতে এটা কথা বিশেষভাৱে উল্লেখযোগ্য যে নাৰী-পুৰুষৰ সম্পৰ্কই মুনীন বৰকটকীৰ সাৰ্থক গল্পকেইটাৰ প্ৰধান উপজীৱ্য হ'লেও তেওঁৰ সমসাময়িক লক্ষ্মীধৰ শৰ্মা, ৰমা দাশ, হলিৰাম ডেকা আৰু কৃষ্ণ ভূঞা আদি গল্পকাৰসকলৰ দৰে বৰকটকীয়ে এটাও শক্তিশালী আৰু স্বাধিকাৰ-সচেতন নাৰী-চৰিত্ৰ সৃষ্টি কৰা নাই; নাৰীক তেওঁ বিচিত্ৰ ৰূপত কল্পনা

কৰি লৈছে কেৱল আত্ম-পৰীক্ষাৰ কাৰণে। বৰকটকীৰ কোনো এটা গল্পতে উন্মুক্ত কামনা বা আৱেগ-বিহ্বল ৰোমাণ্টিক প্ৰেমৰ প্ৰকাশ দেখিবলৈ পোৱা নাযায়; বৰং নাৰীৰ প্ৰতি পুৰুষজনৰ মনত ওপজা অনুভূতিবোৰৰ লগত বেছিভাগ সময়তে জড়িত হৈ থাকে একধৰণৰ গোপন অপৰাধ-বোধ, অন্তৰ্দ্বন্দ্ব, এজন আধুনিক মানুহৰ বিবেকৰ অঙ্কুশে সৃষ্টি কৰা এক নতুন ধৰণৰ যন্ত্ৰণা। দহো আঙুলিৰ মূৰত লিখি শেষ কৰিব পৰা গল্প লিখিও মুনীন বৰকটকী গল্পকাৰ হিচাপে আজিও স্মৰণীয় হৈ থাকিব পৰাৰ প্ৰধান কাৰণ সেইটোৱেই: তেওঁ অসমীয়া পাঠকক এক নতুন ধৰণৰ যন্ত্ৰণাৰ লগত চিনাকি কৰি দিছিল।

গল্পৰ বাহিৰেও মুনীন বৰকটকীয়ে নাটক আৰু কবিতা লিখাৰো প্ৰয়াস কৰিছিল। এই সংকলনত তাৰো দুটামান ফচল সঞ্চিত হৈ থাকিল। কিন্তু তেওঁৰ কবিতা আৰু নাটকৰ বিষয়ে খুব বেছি উচ্ছ্বাস প্ৰকাশ কৰাৰ অৱকাশ নাই। ডঃ ছেমুৱেল জনছনৰ কবিতাৰ বিষয়ে মন্তব্য কৰি ৰ'জাৰ পি মেক্‌কাৰ্টচিয়নে তেওঁৰ Eighteenth Century English Literature নামৰ কিতাপৰ এঠাইত লিখিছিল— 'But those poems are important largely because Johnson wrote them, not because they are great in themselves.'— মুনীন বৰকটকীৰ কবিতা আৰু নাটকৰ বিষয়েও ঠিক সেই একেটা কথাকে ক'ব পাৰি।

**হোমেন বৰগোহাঞি**
**গুৱাহাটী**
৩০.৭.৯৬

## সম্পাদকৰ একাষাৰ

পোনতে কথা আছিল মুনীন বৰকটকীদেৱৰ (১৯১৫—১৯৯৩) গল্পকেইটাৰ সংকলন এটা যুগুতাই তেখেতৰ জীৱদ্দশাতে প্ৰকাশ কৰি উলিওৱাৰ। তেনে এটা সংকলনৰ নামকৰণ তেখেতে নিজেই কৰিছিল 'এমুঠি গল্প' বুলি। পিছে, সেই সংকলন দেখি যাবলৈ নাপালে তেখেতে। মুনীন বৰকটকীৰ গল্পৰ প্ৰকাশক এগৰাকী তেতিয়া নোলোৱাটো দুখৰ কথা যিমান, অসমীয়া পঢ়ুৱৈ-সমাজৰ বাবে উদ্বেগৰ কথাও সিমানেই। এতিয়া গল্পকেইটাৰ লগতে তেখেতৰ সংখ্যালঘু আন দুবিধ লেখাও ইয়াতে থুপাই থোৱা হ'ল সিকেইটাক আন ঠাইত থাপিবৰ সুবিধা নোহোৱা বাবে। নামকৰণ সম্পাদকৰ।

গল্পকাৰ হিচাপে মুনীন বৰকটকীৰ প্ৰকাশ ঘটে চতুৰ্থটো দশকত 'আৱাহন'ৰ পাতত। তেখেতৰ প্ৰথমটো গল্প 'আৱাহন'ত প্ৰকাশ নোপোৱা সত্ত্বেও কথাটো তেনেকৈয়ে ক'ব লাগিব। 'ঘৰ জেউতি' (১৮৫২ শক)ত প্ৰকাশ পোৱা 'নোমল' নামৰ লেখাত মুনীন বৰকটকীৰ লেখক-প্ৰতিভাৰ উন্মেষহে ঘটে। নিজৰ ষোল বছৰ বয়সতে ৰচনা কৰা গল্প এইটো। উক্ত গল্পটো ৰচিত হোৱাৰ মুঠেই এবছৰৰ পূৰ্বে 'আৱাহন' (১৮৫১ শক) প্ৰকাশ পায়। পাছলৈ প্ৰখ্যাত হোৱা গল্পকাৰ বুলিবলৈ 'আৱাহন'ৰ প্ৰথমটো বছৰত নগেন্দ্ৰনাৰায়ণ চৌধুৰী, হলীৰাম ডেকা, ৰমা দাশ, নকুলচন্দ্ৰ ভূঞা, মহীচন্দ্ৰ বৰা, ৰাধিকামোহন গোস্বামী আৰু বীণা (বীণা বৰুৱা)ৰ গল্প এবোটামানকৈহে প্ৰকাশ পাইছিল। গল্প-লেখক মুনীন বৰকটকী সেইসকলৰ অনুজ আৰু অনুগামী। বিশেষকৈ বীণা (বিৰিঞ্চি কুমাৰ) বৰুৱাই যি নতুন প্ৰেৰণাত গল্প লিখিছিল, সেই প্ৰেৰণাত বোলে ভৱিষ্যতৰ কাৰণে লুভীয়া হওঁতাসকলৰ মাজত আছিল মুনীন বৰকটকীও। তেখেতে নিজে কোৱা কথা।

'আৱাহন'ত মুনীন (মুনীন্দ্ৰনাথ) বৰকটকীয়ে প্ৰথমটো ভুমুকি মাৰে আলোচনীখনৰ দ্বিতীয়টো বছৰত। 'বিদ্ৰোহী' নামৰ গল্পটোৱেই 'আৱাহন'ত প্ৰকাশিত তেখেতৰ প্ৰথম ৰচনা, আৰু তেখেতৰ দ্বিতীয় গল্প-প্ৰয়াস। সেয়ে হ'লেও 'নোমল'ৰ লগত যেন 'বিদ্ৰোহী'ৰ তেজৰ সম্পৰ্ক নাই; 'বিদ্ৰোহী' অভিজাত। নেহৰু-প্ৰতিবেদনৰ ভিত্তিত ভাৰতক ঔপনিৱেশিক স্বায়ত্ত শাসন নিদিলে ১৯৩০

চনৰ ১ জানুৱাৰী তাৰিখে ভাৰতে স্বাধীনতা ঘোষণা কৰাৰ কথা। লোণ-আইন অমান্য আন্দোলনৰো প্ৰস্তুতি তেতিয়া চলিয়েই আছে। গান্ধীজীয়ে বিচাৰিছে কিছুমান নিয়মানুৱৰ্তী সৈন্য: "যিসকলে আপোন ব্ৰত উদ্‌যাপনৰ কাৰণে যিকোনো মুহূৰ্তত জীৱন দিবলৈ সাজু থাকিব; যি ফাঁচী-কাঠত উঠিও হাঁহিমুৱা আৰু হৰ্ষচিত্ত হৈ থাকিব।" গান্ধীজীৰ আন্দোলনত নৰহত্যাৰ স্থান নাই; ৰাজনৈতিক হত্যাৰ কিবা মূল্য আছে বুলি গান্ধীজীয়ে নাভাবে। "কোনো মানুহে যদি এজন ইংৰাজক হত্যা কৰি প্ৰাণদণ্ডত দণ্ডিত হয়, তেন্তে মই তেওঁক আত্মদাতা নুবুলি দেশদ্ৰোহী বুলিম।"— গান্ধীজীয়ে এনেকৈ কোৱা সত্ত্বেও আন্দোলনটোত নৰহত্যাৰ চেকা লাগিছিল। 'বিদ্ৰোহী'ত তেনে ধৰণৰ চেকাৰে চিন ৰৈ গৈছে।

বৰকটকীৰ 'ছবি' আৰু 'বীণা' নামৰ লেখা দুটাৰ গাত 'গল্প' বুলি সম্পাদকীয় ছাপ মৰা হ'লেও দুয়োটা লেখাতে গল্পৰ আংগিক-বৈশিষ্ট্য অনুপস্থিত বুলিয়েই ক'ব লাগিব। কিন্তু সেই সময়ত এনে ধৰণৰ ৰচনাৰ প্ৰকাশ বাৰুকৈয়ে ঘটিছিল। 'আৱাহনে' আখ্যা দিয়া মতে সেইবোৰ 'গদ্য-কবিতা'। দুৱৰাৰ কথা-কবিতাবোৰৰ উপৰি 'আৱাহন'ৰ প্ৰথম বছৰৰ প্ৰথমটো সংখ্যাৰ পৰাই গদ্য-কবিতা জাতীয় ৰচনা প্ৰকাশ পাই আহিছিল। বীণা, হলীৰাম ডেকা, নবীন চন্দ্ৰ বৰদলৈ আদি লেখকৰ একসংখ্যক ৰচনা তেনে শ্ৰেণীৰ। 'বৰদৈচিলা'ৰ দ্বিতীয় ভাগত প্ৰকাশ পোৱা বৰকটকীৰ 'সপোন সুধা'ও একে গোত্ৰৰ ৰচনা। প্লটৰ অভাৱতো গল্প একোটাই এনে ৰূপ পাইছিল নেকি, সেই কথাও ভাবি চাবলগীয়া। গদ্য-কবিতা লিখাৰ নহয়, গল্প লিখাৰ হাবিয়াসৰ কথাহে বৰকটকীৰ গল্পয়ো কৈছে। 'অভিশাপ' নামৰ গল্পত তাৰ আভাস আছে।

নাৰীবাদী চিন্তা-চৰ্চাৰ বাটটোত মুনীন বৰকটকীৰ খোজৰ চিন আছে। ত্ৰিছৰ দশকৰ প্ৰথমটো ভাগতে 'আৱাহন'ত প্ৰকাশ পোৱা 'জয় নে পৰাজয়' নামৰ গল্পটোৱে এই কথাৰ সাক্ষ্য দিব পাৰে। অসমীয়া গল্পত চেতনা-স্ৰোত সম্পৰ্কীয় আলোচনাৰ বেলিকাও মুনীন বৰকটকীৰ নামটো উচ্চাৰিত হ'ব পাৰে। 'জয়ন্তী'ত প্ৰকাশিত 'তাই আৰু মই' শীৰ্ষক গল্পটোৰ কথা এই প্ৰসংগত মনলৈ আহে। মুনীন বৰকটকীয়ে 'অনিৰুদ্ধ কটকী' ছদ্মনামত ৰচনা কৰা গল্প এইটো। মুঠতে, অসমীয়া সাহিত্যত আধুনিকতা প্ৰৱৰ্তনৰ বেলিকা মুনীন বৰকটকীৰ ভূমিকা লেখ-জোখ উভয় দিশতে চকুত পৰা বিধৰ। অমূল্য বৰুৱাৰ প্ৰসংগত বৰকটকীয়ে কোৱা কথা এযাৰকে সামান্যভাৱে লৰাই ক'ব পাৰি, যি সময়ত আমাৰ গল্প কূপ-মণ্ডুকতাৰ দোষেৰে দূষিত আছিল, যি সময়ত অক্ষম অনুকৰণৰ বাহিৰে দেশ-বিদেশৰ নতুন ভাব-চিন্তাধাৰাক আয়ত্ত কৰি আত্মস্থ কৰাৰ প্ৰয়াস আমাৰ নাছিল, সেই সময়তে, শতিকাটোৰ চতুৰ্থ দশকতে মুনীন বৰকটকীয়ে অসমীয়া গল্পৰ ক্ষেত্ৰখনলৈ আধুনিকতাৰ সোঁত বোৱাই আনিছিল।

মুনীন বৰকটকীয়ে কেইটা কবিতা লিখিছিল, সঠিকভাৱে ক'ব নোৱাৰি। কিন্তু যিকেইটা কবিতা এতিয়ালৈকে বিচাৰি পোৱা গৈছে, সেইকেইটাই বৰকটকীৰ কবি-মানসৰ বতৰা বহন কৰিছে বাৰুকৈয়ে। লেহ্‌কা ভাবৰ হ'লেও 'কন্‌ফেছন্‌ছ' শীৰ্ষক ৰচনাৰ বহুখিনি কথাই সাহিত্যিক মুনীন বৰকটকীৰ সংবাদ দিয়ে। উক্ত ৰচনাত কোৱা মতে, ডাক্তৰ দীননাথ শৰ্মা-সম্পাদিত 'আৱাহন'ৰ সকলোতকৈ ভাল কবি হ'ল দেৱকান্ত বৰুৱা। কোৱা নিষ্প্ৰয়োজন যে প্ৰসংগটোত কোনো ধৰণৰ ধেমালি নাই; অন্ততঃ দেৱকান্ত বৰুৱাৰ কবিতা ধেমালিৰ বস্তু নহয়। বৰুৱাৰ কবিতাৰ লগত বৰকটকীৰ কবিতা ছপা হোৱাটো যেন এক প্ৰকাৰৰ সমতাহীনতা ("শ্ৰীযুত দেৱকান্ত বৰুৱাৰ কবিতাৰ লগত মোৰ কবিতা কেনেবাকৈ ছপা হ'লে মই সঁচাকৈয়ে লাজ পাম।")। বৰকটকীৰ একেটা ভাব শেৱালি-কবি ৰত্নকান্ত বৰকাকতীৰ বিষয়তো। দুয়োজনৰ প্ৰতি বৰকটকী আছিল শ্ৰদ্ধাশীল। বৰুৱা আৰু বৰকাকতীৰ কবিতাৰ প্ৰভাৱ যে বৰকটকীৰ কবিতাত পৰিছে, সচেতন পঢ়ুৱৈয়ে সেই কথাৰ উমান পাব: অন্ততঃ ছন্দসজ্জা আৰু প্ৰকাশভংগীৰ বেলিকা। চতুৰ্থ দশকৰ অন্তলৈকে ভাবপ্ৰৱণতা, শব্দবিলাস আদিৰে অসমীয়া কবিতা ৰোগাক্ৰান্ত হৈ পৰা সত্ত্বেও, আৰু অসমীয়া কাব্যবাণীয়ে মুক্তি বিচাৰি চকুপানী টোকা সত্ত্বেও (মহেশ্বৰ নেওগ) মুনীন বৰকটকীয়ে কবিতাত প্ৰথাসিদ্ধ ৰীতি পৰিহাৰ কৰিব নুখুজিলে। তেখেতে কবিতা লিখা সময়ত ছন্দ মানুহৰ ভাব প্ৰকাশৰ অন্তৰায় বুলি ছন্দোমুক্তিৰ আন্দোলন আৰম্ভ হৈছিল। প্ৰতিবেশী বংগত নব্য ৰবীন্দ্ৰনাথৰ প্ৰশংসাত কাব্যাস্বাদী মুখৰ হৈ পৰিছিল তেতিয়া। তৎসত্ত্বেও মুনীন বৰকটকীয়ে নতুন ধাৰাৰ কবিতা ৰচনাত মনোনিৱেশ কৰাৰ প্ৰমাণ অন্ততঃ এতিয়ালৈকে পোৱা হোৱা নাই। "যি কবিয়ে স্বাধীনতাৰ মুক্তি-বাণী শুনায়, তেওঁ শাৰী মিলায়ো সেই বাণী শুনাব।"— কন্‌ফেছন্‌ছত কোৱা এই কথাত কবি বৰকটকীৰ কিবা সংবাদ থাকিব পাৰে। কিন্তু এনেকৈ কোৱা সত্ত্বেও মুনীন বৰকটকীৰ কবিতাৰ সুঁতিটো ক'ৰবাত হেৰাই গ'ল। 'প্ৰগতিশীল কবিতাৰ টেক্‌নিক'ৰ সমৰ্থকসকলে বিচৰা মতে (জয়ন্তী, ৬ষ্ঠ বছৰ ৩য় সংখ্যা) বৰকটকীয়ে কবিতাৰ ক্ষেত্ৰ "খালী কৰি বাণপ্ৰস্থ আৰু সন্ন্যাস আশ্ৰমত নীৰৱ শান্তি" বিচাৰিলে নেকি, সেই কথাও প্ৰণিধানযোগ্য।

একাংকিকা-লেখক হিচাপে মুনীন বৰকটকী বৰ জনাজাত নহয়। এতিয়ালৈকে পোৱা মতে, বৰকটকীৰ একাংকিকা বুলিবলৈ এখনেই মাত্ৰ। ভাৰতৰ মুক্তি-আন্দোলনটোক শক্তি যোগোৱাৰ উদ্দেশ্যে লোকসংগ্ৰহ আৰু লোকৰঞ্জনৰ লক্ষ্য সমুখত ৰাখি বৰকটকীয়ে এই একাংকিকাখন ৰচনা কৰিছিল যেন লাগে। 'আৱাহন'ত প্ৰকাশিত মহেন্দ্ৰ মোহন চৌধুৰীৰ গল্প এটা ('মাতৃ মূৰ্তি') ৰ কাহিনীলৈ এইখিনিতে মনত পৰে। মাজ-ত্ৰিছৰ গল্প। দেশজুৰি আইন অমান্য আন্দোলনৰ ধুমুহা। স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাসকলে দলে দলে আন্দোলনত গা ঢালি দিছে। মাকৰ অনুমতিক্ৰমে ৰজনীয়ে চাকৰি ইস্তফা দি আন্দোলন কৰিছে। সশ্ৰম কাৰাবাস খাটিছে দুবছৰ। ৰজনীয়ে সপোনত মাকৰ হাতত ভাৰতৰ জাতীয় পতাকাখন তুলি দিছে। মাকে কৈছে, "জাগ্ৰত ভাৰতবাসীক ত্যাগ আৰু কৰ্মৰ মন্ত্ৰেৰে দীক্ষিত কৰি তুলিব লাগিব। তেতিয়াহে ভাৰতবাসীৰ মুক্তি হ'ব, দেশৰ ক্লান্তি দূৰ হৈ ধনে-ধান্যে দেশ পৰিপূৰ্ণ হ'ব।" স্বাধীনতাহীন মানুহ মানুহেই নহয় বুলি ভুলাভাই দেশায়ে বিলাতৰ সভাত কোৱা কথা, আৰু নেহৰুৰ 'ভাৰতৰ প্ৰস্তাৱিত যুক্তৰাষ্ট্ৰ' চৌধুৰীৰ গল্পটোৰ প্ৰেৰণা বুলি ক'ব পাৰি। তেনে প্ৰেৰণাৰে ফল যেন লাগে বৰকটকীৰো 'জন্মভূমিতকৈও গৰীয়সী।'

সংকলনটো সম্পাদনা কৰিবলৈ দায়িত্বটো দি 'মুনীন বৰকটকী স্মাৰক ন্যাস' সমিতিয়ে মোৰ প্ৰতি থকা বৰকটকীদেৱৰ মৰমৰ ধাৰ সুজিবলৈ সুযোগ এটা দিলে। তাৰ বাবে ন্যাস সমিতিক, বিশেষকৈ শ্ৰীউপেন্দ্ৰ বৰকটকী আৰু শ্ৰীমতী (ড°) মীনাক্ষী ভট্টাচাৰ্যক আন্তৰিক ধন্যবাদ জনাইছোঁ। শ্ৰীমতী মীনাক্ষীয়ে পিতৃ-শ্ৰাদ্ধৰ আদৰ্শ যিদৰে দাঙি ধৰিছে, তাৰ বাবে তেওঁ অসমীয়া পঢ়ুৱৈ সমাজৰ আটাইৰে প্ৰশংসাভাজন হৈছে। গুৱাহাটীৰ ষ্টুডেন্টচ্ ষ্ট'ৰচ্ প্ৰতিষ্ঠান সাম্প্ৰতিক অসমীয়া প্ৰকাশনৰ ক্ষেত্ৰত অতি পৰিচিত। 'মুনীন বৰকটকীৰ সৃষ্টি ত্ৰিবিধা'ই প্ৰতিষ্ঠানটোৰ পৰিচয়ৰ পৰিধি পুনৰ প্ৰসাৰিত কৰক।

গুৱাহাটী — যোগেন্দ্ৰনাৰায়ণ ভূঞা
৫ নৱেম্বৰ ১৯৯৬

গল্প :


নোমল/১
বিদ্ৰোহী/৬
ছবি/৮
অভিশাপ/১২
বীণা/১৮
সপোন-সুধা/২১
জয় নে পৰাজয়/২৫
জীৱনৰ ঋণ/৩০
নিয়মৰ বান্ধ আৰু প্ৰাণৰ টান/৩৯
অপ্ৰকাশৰ বেদনা/৪৩
পাপ নে ভুল/৬১
তাই আৰু মই/৭৫


কবিতা :


হিয়াৰ বিয়া/৯৫
ব্যৰ্থ সাধনা/৯৭
অভিযান/৯৮
অসম্ভৱ/১০২
আহিবা আহিবা লাহৰি/১০৩


একাংকিকা :


জন্মভূমিতকৈও গৰীয়সী/১০৭